[24-HKPD1SN-24J (M2)]

MA 1st Semester (NEP) Exam. 2024 (S2)

ASSAMESE

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ / উপভাষা বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা / ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

[PGAS, S1-04 / PGAS, S1-05 / PGAS, S1-06]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1144 (PDEAS)

ASSAMESE

(অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ)

[PGAS, S1-04]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) আধুনিক অসমীয়া নাট্য সাহিত্য কোনবোৰ পাশ্চাত্য ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈছিল আলোচনা কৰক ।

(*b*) যুদ্ধোত্তৰ যুগৰ দ্বিতীয় পৰ্বত (১৯৭০–২০০০) কি কি পাশ্চাত্য কাৰকে অসমীয়া উপন্যাস সাহিত্যক প্ৰভাৱিত কৰিছিল আলোচনা কৰক ।

(*c*) আধুনিক অসমীয়া কবিতাৰ সংজ্ঞা প্ৰদান কৰি আধুনিক অসমীয়া কবিতাৰ পটভূমি সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰক ।

(*d*) অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত অনুবাদৰ ভূমিকা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰক ।

(*e*) ১৯৪০–১৯৭০ চন পৰ্যন্ত অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে আলোচনা আগবঢ়াওক ।

(*f*) ৰামধেনু যুগৰ অসমীয়া গল্পকাৰসকলৰ চুটিগল্পৰ কোনবোৰ দিশত পাশ্চাত্যৰ প্ৰভাৱ প্ৰতিফলিত হৈছে আলোচনা কৰক ।

(*g*) নৰকান্ত বৰুৱা আৰু সমীৰ তাঁতীৰ কবিতাত পাশ্চাত্য প্ৰভাৱ সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰক ।

(*h*) গোৱিন্দ প্ৰসাদ শৰ্মা আৰু পূৰবী বৰমুদৈৰ চুটিগল্পত পশ্চিমীয়া ভাৱধাৰাৰ কিদৰে প্ৰয়োগ ঘটিছে বিশ্লেষণ কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী' আৰু 'লাহৰী' দুয়োখন উপন্যাসতে পাশ্চাত্যৰ প্ৰভাৱ দেখা যায়– কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক ।

(*b*) 'অসমীয়া ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত পাশ্চাত্য কাব্যৰীতিৰ সমাহাৰ ঘটিছে'– কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক ।

(*c*) মহাকাব্যিক উপন্যাসৰূপে 'জীৱনৰ বাটত' উপন্যাসখনৰ এটি অলোচনা আগবঢ়াওক ।

(*d*) অসমীয়া নাটকত শ্বেইক্সপীয়েৰৰ নাট্যৰীতিৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰক ।

(*e*) বেজবৰুৱাৰ চুটিগল্পত কোনকেইজন পাশ্চাত্য গল্পকাৰৰ প্ৰভাৱ পৰিছে আলোচনা কৰক ।

(*f*) অসমীয়া এৱছার্ড নাটকৰ বিষয়ে এটি টোকা আগবঢ়াওক ।

1145 (PDEUB)

ASSAMESE

(উপভাষা বিজ্ঞান আৰু অসমীয়া ভাষাৰ উপভাষা)

[PGAS, S1-05]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) উপভাষাৰ সৃষ্টি কিয় হয় ? উপভাষা এটাই কি কি প্ৰক্ৰিয়াৰ মাজেৰে মান্যভাষাৰ মৰ্য্যদা লাভ কৰিব পাৰে উদাহৰণসহ আলোচনা কৰক ।

(*b*) 'উপভাষা ভূগোল' বুলিলে কি বুজায় ? 'উপভাষা ভূগোল'ৰ অধ্যয়নৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰক ।

(*c*) কামৰূপী উপভাষাৰ আঞ্চলিক পাৰ্থক্য সম্পৰ্কে ভাষাগত বৈশিষ্ট্যৰ আধাৰত বিশদভাৱে আলোচনা কৰক ।

(*d*) গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক ।

(*e*) 'মধ্য অসমৰ উপভাষা' বুলিলে কোন কোন অঞ্চলৰ ভাষাক বুজা যায় ? এই উপভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

(*f*) দৰঙী উপভাষাৰ ঐতিহ্যাসিক পটভূমিৰ আভাস দি ভাষিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক ।

(*g*) নৃগোষ্ঠীয় উপভাষা কাক বোলে ? অসমত নৃগোষ্ঠীয় উপভাষাৰ উপস্থিতি কেনেধৰণৰ ? অসমৰ নৃগোষ্ঠীয় উপভাষাৰ বিভিন্ন দিশ সামৰি এটা সামগ্ৰিক আলোচনা আগবঢ়াওক ।

(*h*) 'নাগামিজ'ক সংযোগী ভাষা বুলি কিয় কোৱা হয় ? এই ভাষাৰ ভাষিক বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) 'ডাইগ্লছীয়া' সম্পৰ্কে চমুকৈ এক আলোচনা দাঙি ধৰক ।

(*b*) অসমীয়া ভাষাৰ উপভাষাগত ভেদ সৃষ্টিৰ কাৰকসমূহ আলোচনা কৰক ।

(*c*) কামৰূপী উপভাষাৰ বিশিষ্ট ধ্বনি সম্পৰ্কে চমুকৈ আলোচনা কৰক ।

(*d*) অসমীয়া মান্যভাষা আৰু কামৰূপী উপভাষাৰ শব্দগত তুলনা এটা দাঙি ধৰক ।

(*e*) জাতিগত উপভাষা হিচাপে কৈৱৰ্তসকলৰ ভাষা সম্পৰ্কে এটা টোকা লিখক ।

(*f*) বৈদ্যুতিন মাধ্যমৰ ভাষা সম্পৰ্কে উদাহৰণসহ এটা চমু আলোচনা আগবঢ়াওক ।

(*Continued*)

1146 (PDEDB)

ASSAMESE

(ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

[PGAS, S1-06]

1. তলৰ প্ৰশ্নসমূহৰ যিকোনো *পাঁচটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ কাক বোলে ? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিক কি কি প্ৰকাৰত ভগাব পাৰি– এটি চমু আলোচনা আগবঢ়াওক ।

(*b*) 'ধ্বনিৰ বিৰোধী আৰু অবিৰোধী প্ৰয়োগলৈ লক্ষ্য কৰি বৰ্ণ নিৰ্ণয় কৰা হয় ।'– কথাষাৰ বহলভাবে বুজাই লিখক ।

(*c*) অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক কিহৰ ভিত্তিত শ্ৰেণী বিভাজন কৰা হয় ? এই বিভাজন অনুসৰি অসমীয়া স্বৰকেইটাৰ এখন তালিকা প্ৰস্তুত কৰক ।

(*d*) উত্তৰকালীন অসমীয়া চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ লগত পুৰণি অসমীয়া আৰু মধ্যযুগীয় অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক সাদৃশ্যসমূহ দেখুৱাওক ।

(*e*) অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনিৰ তুলনামূলক আলোচনা এটি প্ৰস্তুত কৰক ।

(*f*) অসমত থকা আৰ্যভিন্ন ভাষা পৰিয়াল কেইটাৰ একোটিকৈ পৰিচয়মূলক বিৱৰণ লিখক ।

(*g*) অসমীয়া আখৰ জোটনিৰ লগত জড়িত সমস্যাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক আৰু সমস্যা সমাধানৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়াওক ।

(*h*) অসমীয়া ভাষা লেখনত প্ৰযুক্তিৰ প্ৰয়োগ সম্পৰ্কে বহলাই আলোচনা কৰক ।

2. তলৰ প্ৰশ্নসমূহৰ যিকোনো *চাৰিটাৰ* উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $5 \times 4 = 20$

(*a*) ধ্বনিবিজ্ঞান কাক বোলে ? ধ্বনিবিজ্ঞানৰ প্ৰধান শাখা কেইটাৰ বিষয়ে আলোচনা কৰক ।

(*b*) ধ্বনিতৰংগ আৰু শ্ৰৱণ বুলিলে কি বুজায় ? ধ্বনিতৰংগ আৰু শ্ৰৱণৰ মূল কথাখিনি উপযুক্ত চিত্ৰৰ সহায়ত বুজাই লিখক ।

(*c*) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটাৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ দেখুৱাই উদাহৰণসহ এটি আলোচনা যুগুত কৰক ।

(*d*) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ লগত জড়িত গুৰুত্বপূৰ্ণ দিশসমূহ আলোচনা কৰক ।

(*e*) চমু পৰিচয় দাঙি ধৰক ঃ
উপধ্বনি, বিশিষ্ট ধ্বনি, সুৰ-লহৰ, সন্ধি, অনুনাসিকতা ।

(*f*) স্বৰধ্বনিৰ গৌণ প্ৰতীক মানে কি বুজায় ? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ গৌণ প্ৰতীকসমূহ উল্লেখ কৰি সেইকেইটাৰ প্ৰয়োগ বিশ্লেষণ কৰক ।
